জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৭/২০২১

# কেন্দ্ৰীয় শক্তি মন্ত্ৰী আৰ কে সিঙৰ উপস্থিতিত অনুষ্ঠিত পুনৰ্নিৰ্মিত বিতৰণ খণ্ড আঁচনিৰ পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## অনাগত দিনত শক্তিখণ্ডত অসম এখন উল্লেখযোগ্য ৰাজ্য হিচাপে পৰিগণিত হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৩ ডিচেম্বৰ ঃ** আজি মহানগৰীত কেন্দ্ৰীয় শক্তি মন্ত্ৰী তথা নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী আৰ কে সিঙে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি মন্ত্ৰীসকলৰ উপস্থিতিত পুনৰ্নিৰ্মিত বিতৰণ খণ্ড আঁচনিৰ (ৰিভেম্পড ডিট্ৰিবিউশ্যন চেক্টৰ স্কীম) পৰ্যালোচনা কৰে।

পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কেন্দ্ৰীয় চৰকাৰৰ 'সৌভাগ্য' আঁচনিয়ে দেশৰ শক্তিখণ্ডলৈ উল্লেখযোগ্য পৰিৱৰ্তন লৈ আহিছে। তৃণমূল পৰ্যায়ত এই আঁচনিৰ ৰূপায়ণ সুনিশ্চিত কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শক্তিখণ্ডৰ উন্নয়ন সাধন কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিমাহে তেওঁ নিজেই এপিডিচিএলৰ কাৰ্যালয়লৈ গৈ আঁচনিসমূহ ৰূপায়ণৰ সন্দৰ্ভত আলোচনা কৰি আহিছে বুলিও তেওঁ কয়। শক্তিখণ্ডৰ ৰাজহ আদায়ৰ পৰিমাণ অতিশয় সন্তোষজনক বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰী বিভাগসমূহে দিবলগীয়া বিদ্যুৎ বিলসমূহ নিয়মীয়াকৈ প্ৰদান কৰাৰ বাবেও প্ৰক্ৰিয়া এটা আৰম্ভ কৰা হৈছে। অনাগত দিনত শক্তিখণ্ডত অসম এক উল্লেখযোগ্য ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় শক্তি মন্ত্ৰী আৰ কে সিঙে কয় যে শক্তি উৎপাদনৰ দিশত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে আৰু আধুনিক প্ৰযুক্তিৰে এই খণ্ডক সামৰি লোৱাৰ বাবে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত শক্তি মন্ত্ৰী বিমল বড়া, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ শক্তি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০৩-১২-২০২১**